# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 28-MAY-2026 **Time :** 1800 HRS

***Assamese Evening Bulletin***

———————————————————————

১। ২০২৭ বৰ্ষৰ লোকপিয়লৰ পূৰ্বে গৃহ পঞ্জীয়ন প্ৰক্ৰিয়া সঠিক আৰু প্ৰযুক্তিভিত্তিক ভাবে সম্পন্ন কৰাৰ লক্ষ্যৰে ৰাজ্যৰ জিলা প্ৰশাসনসমূহৰ যাৱতীয় ব্যৱস্থা গ্ৰহণ।

২। গুৱাহাটী উচ্চ ন্যায়ালয়ত কাইলৈ শ্যামকানু মহন্তৰ জামিন আবেদনৰ ৰায়দান।

৩। পঞ্চায়তীৰাজ মন্ত্ৰালয়ৰ উদ্যোগত গুৱাহাটীত কাইলৈ পঞ্চায়ত নেতৃত্বাধীন সেৰা প্ৰদান শীৰ্ষক এখন আঞ্চলিক কৰ্মশালাৰ আয়োজন।

আৰু

৪। দেশৰ বিভিন্ন অংশৰ লগতে অসমতো ঈদ-উজ্-জোহা পালন।

oooooooo

কেন্দ্ৰীয় চৰকাৰৰ গৃহ মন্ত্ৰালয়ৰ অধীনত হ'বলগীয়া ২০২৭ বৰ্ষৰ লোকপিয়ল সম্পৰ্কে ইতিমধ্যে অধিসূচনা জাৰি কৰা হৈছে। লোকপিয়লৰ পূৰ্বে গৃহ পঞ্জীয়ন প্ৰক্ৰিয়া সঠিক আৰু প্ৰযুক্তি ভিত্তিক ভাবে সম্পন্ন কৰাৰ লক্ষ্যৰে ৰাজ্যৰ জিলা প্ৰশাসনসমূহে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত কাছাৰ জিলা প্ৰশাসনে প্ৰশিক্ষণ কাৰ্যসূচী আৰম্ভ কৰিছে। সোণাই পৌৰসভা, লক্ষীপুৰ পৌৰ সভা, বদৰপুৰ পৌৰ সভা, শিলচৰ পৌৰ সভাকে ধৰি বিভিন্ন বিভাগৰ বিষয়াসকলে এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে। ৰাষ্ট্ৰীয় লোকপিয়ল কাৰ্যসূচীৰ অধীনত গৃহ পঞ্জীয়ন প্ৰক্ৰিয়া অধিক ফলপ্ৰসূ আৰু স্বচ্ছ কৰি তোলাৰ লক্ষ্যৰে এই প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। প্ৰশিক্ষণ কাৰ্যসূচীত অতিৰিক্ত জিলা আয়ুক্ত তথা জিলা লোকপিয়ল বিষয়া ৰক্তিম বৰুৱাই লোকপিয়ল সন্দৰ্ভত গুৰুত্ব আৰোপ কৰে। এই সন্দৰ্ভত শিলচৰৰ সংবাদদাতা আশীৰাণী দাসে এইদৰে কয়–

-বাইট-

একেদৰে তামুলপুৰ জিলা প্ৰশাসনেও গৃহ পঞ্জীয়ন প্ৰক্ৰিয়া সম্পন্ন কৰিবলৈ বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। উল্লেখযোগ্য যে, গণনাকাৰী বিষয়াসকলে অহা ১৭ আগষ্টৰ পৰা ৩০ ছেপ্টেম্বৰলৈ ঘৰে ঘৰে গৈ তথ্য সংগ্ৰহ কৰিব। জনসাধাৰণে ২ আগষ্টৰ পৰা পৰ্টেল যোগে নিজৰ তথ্যসমূহ দাখিল কৰিব পাৰিব। পৰ্টেলত তথ্যসমূহ আপলোড কৰাৰ পাছত নাগৰিকে তেওঁলোকে নিজৰ নামত এটা আই ডি লাভ কৰিব। গণনাকাৰীসকল ঘৰলৈ যাওঁতে তেওঁলোকৰ হাতত সেই আই ডিটো দাখিল কৰিব লাগিব। আনহাতে, দ্বিতীয় পৰ্যায়ত জাতি ভিত্তিক তথ্য সংগ্ৰহ কৰা হ'ব। তামুলপুৰ জিলা প্ৰশাসনে জিলাখনৰ সকলো নাগৰিককে এই কাৰ্যসূচীত সহযোগিতা আগবঢ়াবলৈ আহ্বান জনাইছে।

ধেমাজি জিলা প্ৰশাসনেও আজিৰ পৰা তিনিদিনীয়াকৈ প্ৰশিক্ষণ কাৰ্যসূচী গ্ৰহণ কৰিছে। ধেমাজি সংহত জিলা আয়ুক্ত কাৰ্যালয়ত অনুষ্ঠিত প্ৰথমদিনাৰ প্ৰশিক্ষণ কাৰ্যসূচীত জিলা লোকপিয়ল বিষয়াকে ধৰি

ভালেকেইজন বিষয়া উপস্থিত থাকে। ৰাজ্যৰ লোকপিয়ল অভিযান সঞ্চালকাৰলয়ৰ পৰা নিয়োজিত প্ৰশিক্ষকসকলে এই কাৰ্যসূচীত প্ৰশিক্ষণ আগবঢ়ায়। অহা ৩০ মে'ত এই প্ৰশিক্ষণ কাৰ্যসূচীৰ অন্ত পৰিব।

মৰিগাঁও জিলাতো লোকপিয়লৰ প্ৰথম পৰ্যায়ৰ গৃহ তালিকা আৰু গৃহ পিয়ল সম্পৰ্কীয় জিলা পৰ্যায়ৰ প্ৰশিক্ষণ কাৰ্যসূচী কালি আৰম্ভ হয়। সমাগত লোকপিয়ল সুচাৰুৰূপে সম্পন্ন কৰাৰ উদ্দেশ্যে আয়োজিত এই প্ৰশিক্ষণ কাৰ্যসূচী ৩০ মে'লৈ চলিব। লোকপিয়ল পৰিচালনা সঞ্চালকালয়ৰ সহকাৰী সঞ্চালক সপ্তৰাজ দাস আৰু ডিপিএ দীপক বৰুৱা সমল ব্যক্তি হিচাপে উপস্থিত থাকে।

oooooooo

গুৱাহাটী উচ্চ ন্যায়ালয়ে শিল্পী জুবিন গাৰ্গৰ হত্যাৰ গোচৰত অভিযুক্ত শ্যামকানু মহন্তৰ জামিন আবেদনৰ ৰায় কাইলৈ প্ৰদান কৰিব। উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ মিতালী ঠাকুৰীয়াৰ বিচাৰপীঠে কাইলৈ দিনৰ ২ বজাত এই ৰায় প্ৰদান কৰিব। ইয়াৰ পূৰ্বে বাক্সাৰ জিলা কাৰাগাৰত কাৰাৰুদ্ধ হৈ থকা অভিযুক্ত শ্যামকানু মহন্তৰ জামিন আবেদন সন্দৰ্ভত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মজিয়াত কেইবাদিনো ধৰি শুনানি অনুষ্ঠিত হৈছিল। শুনানিকালত জ্যেষ্ঠ অধিবক্তা প্ৰাণ বৰাই অভিযুক্ত শ্যামকানু মহন্তৰ জামিনৰ সপক্ষে যুক্তি প্ৰদৰ্শন কৰাৰ বিপৰীতে ৰাজ্য চৰকাৰৰ হৈ মহাধিবক্তা দেৱজিৎ শইকীয়াই ইয়াৰ বিৰোধিতা কৰিছিল। উভয় পক্ষৰ যুক্তি শুনাৰ পাছত উচ্চ ন্যায়ালয়ে কাইলৈ শ্যামকানু মহন্তৰ জামিন আবেদনৰ ৰায় প্ৰদান কৰিব। আনহাতে ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতেও কাইলৈ অভিযুক্ত শেখৰজ্যোতি গোস্বামীৰ জামিন আবেদনৰ ৰায় প্ৰদান কৰিব।

oooooooo

ধেমাজি আৰক্ষীয়ে বন্যপ্ৰাণী সৰবৰাহকাৰীৰ বিৰুদ্ধে অভিযান চলাই জিলাখনৰ গোগামুখৰ পৰা দুষ্প্ৰাপ্য কেঁকোসাপসহ ৪ জন সৰবৰাহকাৰীক আটক কৰে। আৰক্ষীয়ে আটক কৰা সৰবৰাহকাৰী কেইজন হৈছে ধেমাজিৰ মনোজ বৰুৱা, গোগামুখৰ সোণাৰাম বসুমতাৰী, ডিব্ৰুগড়ৰ মহেশ পানিকা আৰু অৰুণাচল প্ৰদেশৰ সুনেণ্টে চাকমা। ধৃত সৰবৰাহকাৰী কেইজনে বহিঃৰাজ্যলৈ এখন বাহনেৰে কেঁকোসাপ সৰবৰাহৰ সময়তে আৰক্ষীয়ে অভিযুক্ত  কেইজনক আটক কৰাৰ লগতে কেঁকোসাপ উদ্ধাৰ কৰে। ধেমাজি জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষকৰ তত্বাৱধানত বৰদলনি আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া আৰু উপ-পৰিদৰ্শকৰ নেতৃত্বত এই অভিযান চলোৱা হয়। আৰক্ষীয়ে ধৃত লোককেইজনৰ বিৰুদ্ধে গোগামুখ আৰক্ষী থানাত গোচৰ ৰুজু কৰি আইনী ব্যৱস্থা গ্ৰহণ কৰিছে।

ooooooooo

পঞ্চায়তীৰাজ মন্ত্ৰালয়ৰ উদ্যোগত গুৱাহাটীত কাইলৈ পঞ্চায়ত নেতৃত্বাধীন সেৱা প্ৰদান শীৰ্ষক এখন আঞ্চলিক কৰ্মশালাৰ আয়োজন কৰা হৈছে। কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী এছ পি সিং বাঘেল আৰু মন্ত্ৰী অতুল বৰাই এই কৰ্মশালাত উপস্থিত থকাৰ কথা। এই কৰ্মশালাত অসম, অন্ধ্ৰপ্ৰদেশ, মধ্যপ্ৰদেশ, ওড়িশা, পঞ্জাব, ৰাজস্থান আৰু তেলেংগানাৰ পঞ্চায়তৰ বিষয়ববীয়া, নিৰ্বাচিত প্ৰতিনিধি, গাঁও পঞ্চায়তৰ উদ্যোগীসকলকে ধৰি ৰাজ্য চৰকাৰৰ বিষয়াসকল উপস্থিত থাকিব। ৰাজ্যসমূহৰ শ্ৰেষ্ঠ প্ৰদৰ্শনকাৰী গাঁও পঞ্চায়ত আৰু চেম্পিয়ন কমন চাৰ্ভিচ চেণ্টাৰক এই কৰ্মশালাত সম্বৰ্ধনা জনোৱা হ'ব। ডিজিটেল ৰূপান্তৰ জৰিয়তে পঞ্চায়ত নেতৃত্বাধীন সেৱা প্ৰদান শক্তিশালী কৰা, নাগৰিকৰ অংশগ্ৰহণ, উদ্ভাৱন, বহুভাষিক প্ৰশাসন আৰু তৃণমূল পৰ্যায়ত ৰাজহুৱা সেৱা উন্নত কৰাৰ বিষয়ে কৰ্মশালাত আলোচনা কৰা হ'ব।

০০০০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশৰ পাছতে বন বিভাগ আৰু জিলা প্ৰশাসনে গোলাঘাট জিলাৰ মেৰাপানীৰ ২ নম্বৰ নেঘেৰিবিল আৰু উৰিয়ামঘাটত পুনৰ উচ্ছেদৰ প্ৰস্তুতি আৰম্ভ কৰিছে। বন বিভাগে জনোৱা মতে ২ নম্বৰ নেঘেৰিবিলৰ ৫৭টা আৰু উৰিয়ামঘাটৰ ১১টা পৰিয়ালক অহা মাহৰ প্ৰথম ভাগতে উচ্ছেদ কৰা হ'ব। উচ্ছেদৰ সম্ভাৱনাক কেন্দ্ৰ কৰি হ'ব পৰা উদ্বেগজনক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত অঞ্চল দুটাত ব্যাপক নিৰাপত্তাৰ ব্যৱস্থা কৰা হৈছে। আজি ৰাজ্যৰ বন বিভাগৰ বিশেষ মুখ্য সচিব এম কে যাদৱে দুয়োটা অঞ্চল পৰিদৰ্শন কৰে। তেওঁৰ সৈতে জিলা আয়ুক্ত পূবালী গোহাঁই আৰু চি আৰ পি এফৰ বিষয়াবৰ্গও আছিল।

০০০০০০০০০

বিশিষ্ট সাহিত্যিক, চিন্তাবিদ উপেন্দ্ৰ নাথ বৰকটকীক আজি অসম সাহিত্য সভাৰ ২০২৫-২৬ বৰ্ষৰ সভাপতিৰ বিশেষ সাহিত্য বঁটা প্ৰদান কৰা হয়। অসম সাহিত্য সভাৰ এটা সঁজাতি দলে নগাঁৱত থকা সাহিত্যিকগৰাকীৰ বাসভৱনত আহি এই বঁটা প্ৰদান কৰে। এই বঁটাত আছে গামোচা, ফুলাম জাপি, কিতাপৰ টোপোলা, স্মাৰক, সভাৰ প্ৰতীকপদ আৰু মানপত্ৰ।

০০০০০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধীনত কাইলৈৰ পৰা হাইস্কুল শিক্ষান্ত কম্পাৰ্টমেণ্টেল পৰীক্ষা অনুষ্ঠিত হ'ব। অহা ৫ জুনলৈ চলিবলগীয়া এই পৰীক্ষা সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বাবে বিভিন্ন জিলাৰ প্ৰশাসনে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ নম্বৰ ধাৰাৰ অধীনত কেতবোৰ নিষেধাজ্ঞা জাৰি কৰিছে।

০০০০০০০০০

গুৱাহাটীৰ হাতীগাঁও আৰক্ষীয়ে অপহৰণ আৰু ধন দাবীৰ অভিযোগত আজি চাৰিজন লোকক গ্ৰেপ্তাৰ কৰিছে। আৰক্ষীয়ে দৰং জিলাৰ ছিপাঝাৰত অভিযান চলাই লোককেইজনক গ্ৰেপ্তাৰ কৰে। ইয়াৰ লগতে আৰক্ষীৰ দলটোৱে নাছিৰ আহমেদ নামৰ এজন অপহৃত লোকক সুকলমে উদ্ধাৰ কৰে। উল্লেখযোগ্য যে, নাছিৰ আহমেদক যোৱা ২৬ মে'ত দুৰ্বৃত্তৰ দলে অপহৰণ কৰি ৫লাখ টকাৰ মুক্তিপণ দাবী কৰিছিল। এই সন্দৰ্ভত পৰিয়ালৰ লোকে দিয়া এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে অভিযান চলাই দুৰ্বৃত্তৰ দলটোক কৰায়ত্ত কৰে। অপহৰণকাণ্ডৰ সৈতে জড়িত আন এজন অভিযুক্ত বৰ্তমান পলাতক হৈ আছে বুলি আৰক্ষীয়ে জানিবলৈ দিছে।

০০০০০০০০০

দেশৰ বিভিন্ন অংশৰ লগতে ৰাজ্যতো আজি ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ পৱিত্ৰ ঈদ-উজ্-জোহা পালন কৰা হৈছে। ৰাজ্যৰ বিভিন্ন স্থানত আজি ঈদ-উজ্-জোহা উপলক্ষে ভাতৃত্ববোধ আৰু বিশ্ব শান্তিৰ বাবে সুন্দৰকৈ সজাই পৰাই তোলা ঈদগাহসমূহত নামাজ পঢ়া হয়।

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ ২০০ৰো অধিক ঈদগাহত প্ৰায় ৪ লাখ লোকে ঈদৰ সমূহীয়া নামাজত ভাগ লয়।

**চিৰাং, বৰপেটা, ধুবুৰী,** কোকৰাঝাৰ, শ্ৰীভূমি, দৰং, শোণিতপুৰ, নগাঁও আদি বিভিন্ন জিলাৰ মছজিদ-ঈদগাহতো ভালেসংখ্যক লোকে আজি ঈদৰ সমূহীয়া নামাজত ভাগ লয়। **গুৱাহাটী** মহানগৰৰ মাছখোৱা ঈদগাহ ময়দানৰ লগতে অন্যান্য ঈদগাহ আৰু ময়দানত সমূহীয়া নামাজ অনুষ্ঠিত হয়।

ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্য আৰু মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ঈদ উপলক্ষে ইচলাম ধৰ্মাৱলম্বী লোকসকলক শুভেচ্ছা জনাইছে।

০০০০০০০০০

গোলাঘাট জিলাৰ মেৰাপানীত আজি পুখুৰীত পৰি এগৰাকী কিশোৰীৰ মৃত্যু হয়। নিহত কিশোৰীগৰাকী মেৰাপানীৰ ৩ নম্বৰ পুষ্পবনৰ পাৰ্লি চুতীয়া বুলি জানিব পৰা গৈছে। অসাৱধানৱশত ঘৰৰ পুখুৰীত পৰি যোৱা কিশোৰীগৰাকীক উদ্ধাৰ কৰি মেৰাপানী সমূহীয়া চিকিৎসালয়লৈ নিয়ে যদিও চিকিৎসকে কিশোৰীগৰাকীক মৃত বুলি ঘোষণা কৰে। ৯ বছৰীয়া কিশোৰীগৰাকীৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰে।

০০০০০০০০০

সমাপ্ত